# সোণালী পৃথিৱী

লীলাৱতী শইকীয়া বৰা

691

মৰমৰ মালিনীলৈ

— নীলমণি ফুকন

১৫।৩।৮৮

ASSAM WOMEN'S UNI... Library
Dr. Malinee Goswami
... Research Guide
Dep...
Gauhati University

সোণালী পৃথিৱী ॥ গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা লীলাৱতী শইকীয়া বৰাৰ নির্বাচিত কবিতাৰ সংকলন

প্রচ্ছদ শিল্পী ॥ শ্রীধনঞ্জয় শর্মা

লিখকৰ দ্বাৰা সর্বস্বত্ব সংৰক্ষিত

হৰিপ্রিয়া প্রকাশন
গুৱাহাটী—৫

প্রথম প্রকাশ ॥ জানুৱাৰী, ১৯৪৮ চন

বেচ ॥ সাত টকা

ছপা ॥ প্রিণ্টোৰণ
গুৱাহাটী—১

॥ অর্পণ ॥

Dr. Malinee Goswami
Professor & Research Guide
Dept. of Assamese
Gauhati University

গীতিকাৰ
যতীন বৰাৰ হাতত

## ॥ সূচীপত্ৰ ॥

| | পৃঃ |
|---|---|
| তোমাৰ আগমন | ১ |
| প্ৰেম | ২ |
| খৰিকাজাঁই | ৩ |
| এডাল সোণালী চুলি | ৪ |
| স্বাক্ষৰ | ৫ |
| পূৰ্ণিমা | ৬ |
| অৰ্থ ক'ত | ৭ |
| আশা | ৮ |
| তৃষ্ণা | ৯ |
| ঢলফাট | ১০ |
| শৈশৱ | ১১ |
| নিৰৰ্থক | ১২ |
| দুখৰ পাহাৰ গলি গলি | ১৩ |
| তেজাল হাঁহি | ১৪ |
| বহাগ | ১৫ |
| এখন ছবি আহিনৰ | ১৬ |
| শীত | ১৭ |
| অপূৰ্ণ | ১৮ |
| তেওঁ আকৌ উভতি আহিব | ১৯ |
| সিহঁত জ্বলিয়ে থাকিব | ২০ |
| অভিমানী কবি | ২১ |
| নতুন সূৰ্য | ২২ |
| ৰঙা পতাকাখন | ২৩ |
| স্খলন | ২৪ |
| এখন সোণালী পৃথিৱীৰ অকাল মৃত্যু | ২৫ |

| | |
|---|---|
| নিষ্কণ্টক | ২৬ |
| শক্তি পৰীক্ষা | ২৭ |
| বিষাদ বাঁহীৰ সুৰ | ২৮ |
| বীণাখন আপোনা আপুনি বাজিবলৈ দিয়া | ২৯ |
| ইবাৰো নাহিলা তুমি | ৩০ |
| অশ্রু | ৩১ |
| নিদাঘ | ৩২ |
| মৰা শিল | ৩৩ |
| শীর্ণ নৈ | ৩৪ |
| প্রেম এনেকুৱাই | ৩৫ |
| অৱস্থিতি | ৩৬ |
| এনেকৈয়ে জীয়াই আছোঁ | ৩৭ |
| প্রত্যাশা | ৩৮ |
| নীলা পদুম | ৩৯ |
| দাপোণ | ৪০ |
| সময় | ৪১ |
| জীৱন এনেকুৱাই | ৪২ |
| আশ্রয় | ৪৩ |
| প্রতীক্ষা | ৪৪ |


## তোমাৰ আগমন

দুপৰ নিশা।
মোৰ দুচকুত গভীৰ নিদ্রা।
তুমি মনে মনে মোৰ বন্ধ ঘৰৰ
দুৱাৰ ভাঙি
আন্ধাৰ কুঠৰীত প্রবেশ কৰিছা।
অনুভৱ হ'ল, তুমি মোৰ নিচেই কাষত
মোৰ শেঁতা শুকান ওঁঠত
স্পর্শ যেন তোমাৰ ওঁঠৰ

মন-মেঘত মোৰ বিজুলী চমকি গ'ল
পদুলিৰ বকুল-ডালত কেতেকী নীৰৱ হ'ল।
সাৰ পালো,
আন্ধাৰতে বাৰে বাৰে খেপিয়াই চালোঁ
তুমি যে আহিছিলা
তাৰ কোনো চিনেই নাপালোঁ।

মাথোন পুৱাৰ বনত শুভ্ৰ শেৱালিয়ে
লেখি থ'লে তুমি অহা গোপন কথাটি।

## প্ৰেম

অলপ আগতে
ফাগুনৰ বতাহজাকৰ সতে
মোৰ কোঠালৈ সোমাই আহিছিল
এটি ৰূপালী পাখিৰ পখিলা

এতিয়াচোন পখিলাটি নাই !
চোতাল-কাষৰ ফুলনিত
পখিলাটি বিচাৰি চালোঁ

হঠাতে চকু গ'ল
মোৰ বুকুৰ ভিতৰত উৰি থকা
এয়াচোন সেই হেৰুৱা পখিলাটি !



## খৰিকা জাঁই

মোৰ চিন্তাৰ চোতালত
কাৰ সেই অনিয়ত পদ-চালন
হৃদয়ত কাৰ জুই-ৰৰবা গান
কাৰ বুকুৰ মৰম
মোৰ প্ৰাণত ৰক্ত জবা হৈ ফুলে
চেতনাত মোৰ কাৰণো হৃদয়
জোনাকী শিখা হৈ জ্বলে

আছেনে বাৰু তেওঁৰ পৃথিবীত
জীপাল একনি ঠাই
মোৰ ভাৱনাই পাবে য'ত ফুলাব
এজুপি খৰিকা জাঁই

## এডাল সোণালী চুলি

মোৰ মন-দাপোনত জল্‌মলাই উঠিল
এডাল সোণালী চুলি
সোণালী এডাল চুলি
যেন তৰুণ সূৰুযৰ তপত নিশ্বাসত
চট্‌ফটাই থকা লুইতৰ চাতকী বালি !
কিহবাৰ শিহৰণ জাগিল
মোৰ প্ৰাণৰ গভীৰত
তোমাক পোৱাৰ অত্যুগ্ৰ হেঁপাহে
খুলি দিলে মোৰ হৃদয়ৰ বন্ধ কপাট
সেই সুৰুঙাতে

মোৰ মন-দাপোনত জ্‌লমলাই উঠা
সোণালী চুলিডাল উৰাই আনি
শিশিৰ সন্ধিয়াৰ সুৰভি স্নিগ্ধ
এচাটি শীতল সমীৰণ
থমকি ৰ'ল মোৰ প্ৰাণৰ গহণত

মোৰ অপেক্ষাৰ আন্ধাৰ মজিয়াত
অকস্মাৎ উজ্বলি উঠিল এটি দীপশিখা
আকাশবুলীয়া



## স্বাক্ষৰ

অহা বাটেদিয়েই
উভতি গ'ল
পূৰ্ণিমাৰ জোন
সাক্ষী হৈ ৰ'ল
মোৰ হৃদয়ত
সোণালী ভৰিৰ
চিকুণ খোজ ।

## পূৰ্ণিমা

আঁউসী আন্ধাৰ ভৰা বিস্তীৰ্ণ পথত
মাথোঁ মই অকলে অকলে
কাঁইটৰ ফুল তুলি আগ বাঢ়ি যাওঁতে নিৰলে
ফাগুনী বতাহে মোৰ চকু-মুখ ধূলিৰে ঢাকিলে ।
বাট মোৰ কেনিবা হেৰাল ।
ঢকা-চমকাকৈ দেখা পালোঁ
সমুখত গভীৰ শ্মশান ।
জোনাকী পৰুৱা এটি আহি কাষলৈ
হেৰোৱা বাটৰ মোক দিলেহি সন্ধান ।
সেই বাটে গ'লোঁ আগুৱাই;
সঙ্গী মোৰ আঁউসী-আন্ধাৰ ।
বহু দূৰ যোৱাৰ পিছত
আঁউসীৰ ভৰিৰ তলত
দেখি মই উঠিলোঁ চমকি
শাৰদীয় পূৰ্ণিমাৰ ৰূপালী মুখনি ।



## অৰ্থ ক'ত

সেইবাৰ শীতত মৰহি যোৱা
মোৰ ফুলনিখন
এইবাৰ বসন্তত আকৌ চহাই ললোঁ ।
ফুল মাথোঁ
এজুপিহে ৰুলোঁ—মাধৈমালতী ।

এজুপি মালতীতে
অলেখ ফুলৰ সুৰভি বাগৰিল,
শুকান ধৰণীত
জীয়াই থকাৰ বাসনা জাগিল ।

এটি চিনাকি অলিৰ অচিনাকি গুঞ্জণত
মুখৰিত হ'ল নীৰৱ ফুলনি ;
আকাশৰ মুঠি মুঠি তৰা খহি
মুকুতাৰ দেশ হ'ল ধূলিৰ ধৰণী ।

এটি মাথোঁ চকুৰ পলক
মাথোঁ এটি পলকতে
বন্ধ হ'ল ফুলনিত অলিৰ গুঞ্জণ ;
স্তব্ধ হ'ল আকাশত তৰাৰ স্খলন ।
তেনেহ'লে অৰ্থ ক'ত ??

## আশা

ডুপৰীয়া
প্ৰকাণ্ড শিলটোত
মুখ থেকেচা খাই পৰিল
মোৰ ঘোঁৰাটো

কোঁৱাৰি ফাটি ঢয়
ধাৰাষাৰ তেজ
বুকুত
ৰুদ্ধশ্বাস যন্ত্ৰণা

লেকেচিয়াই আগবাঢ়ি যায়
জানোচা
ক'ৰবাত এচলু পানী পায়
শীতল এচলু পানী।



Dr. Malinee Goswami
Professor & Research Guide
Dept. of Assamese
Gauhati University

## তৃষ্ণা

ভ্ৰমিলোঁ বহুত বাট
কাঁইটীয়া লতাই আৱৰা
বহুত দীঘল বাট
হৃদয় ৰক্তাক্ত হ'ল
মন হ'ল বেদনাৰে গোটে মৰা
এচপৰা শিল
তথাপি প্ৰাণৰ তৃষ্ণা
হোৱা নাই শেষ
এধানি সেউজ লাগে
এধানি সেউজ
ক'ত কোৱা ? অনন্ত সেউজী
সেই বিনন্দীয়া ধৰা ??
ডুপৰে মাৰিলে বুৰ
এতিয়া আবেলি হ'ল
ডুপৰ স্বপ্নৰ জুই হ'ল নিৰুত্তাপ
ভাবিলোঁ, ইবাৰ পৰিব শাঁত
আকুল পৰাণ
ক'তা ? নুনুমাল হৃদয়ৰ
সেউজ তৃষ্ণা জুই,
বাঢ়ে মাথো চতুৰ্গুণে আকাশ ৰঙাই
জীৱনৰ যন্ত্ৰণা বঢ়াই

## ঢলফট

নাৰিকলৰ পাতৰ ওপৰেৰে
জোনাকবোৰ চুচৰি আহিছিল
স্লাইডেদি মনৰ উলাহেৰে
দুটি-এটিকৈ শিশু চুচৰি অহাৰ দৰে
কেঞা বনেৰে ঢাক খোৱা মোৰ
সেউজ-চোতালত কোনো নাছিল
নাৰিকলৰ পাতৰ ওপৰেৰে
চুচৰি অহা জোণাকবোৰে
কেঞা বনৰ গালিছাতে বহি
খন্তেক জিৰাইছিল
কোঠাৰ ভিতৰত তেতিয়াও অমানিশা
ভাবিলো, এমুঠি জোনাক আনি
সিঁচি দিওঁ মোৰ আন্ধাৰ কুঠৰীত
দুৱাৰখন খুলি
ওলাই আহিলোঁ বাহিৰলৈ
ক'তা ? জোনাকতো নাই !
তৰোৱালৰ ধাৰ যেন আন্ধাৰত
ক্ষত-বিক্ষত হ'ল হৃদয়
যন্ত্ৰণাত, এক অসহ্য যন্ত্ৰনাত
চট্‌ফটাৰ ধৰিলোঁ ।
সাৰ পালোঁ ।
খিৰিকিৰ ফুকুঙাই সৰকি আহি
মোৰ পঢ়াৰ মেজত জিৰণি লোৱা
এমুঠি হালধীয়া ৰ'দত
নতুন আশাৰ ঢলফাট দেখি
চমকি উঠিলোঁ ।



## শৈশৱ

চাই থাকোঁতেই
হাতৰ মুঠিতে তাই নোহোৱা হ'ল
চকু জলক-তবক কৰা
দুপৰীয়াৰ ৰ'দে
ভাবিছিলোঁ ধুই নিলে
তাইৰ দেহৰ শুভ্ৰতা ।
নাই । তাইৰ দেহৰ
ৰজনীগন্ধাৰ শুভ্ৰতাখিনি
এতিয়াও লাগি আছে মোৰ হাতত
তাইৰ হাঁহি, তাইৰ কান্দোন
এতিয়াও শুনিবলৈ পাওঁ
জাৰকালি নাঙঠ হৈ
আলিবাটত বালি-ঘৰ সজা
এমখা কামি হাড়ৰ মাজত
অথচ বাৰে বাৰে
মই মোৰ শূন্য হাতলৈ চাই
হুমুনিয়াহ কাঢ়িছোঁ ।
তাই তেনেহ'লে মোৰ জীৱনলৈ
কাহানিও উভতি নাহিবনেকি !!

## নিৰৰ্থক

হৈমন্তিক সন্ধিয়াৰ কুৰঁলীয়ে
এখন এখনকৈ পুতি থ'লে
ডেৰকুৰিখন মুখ

থৰ হ'ল আকাশত দ্বিতীয়াৰ জোন।
মাজ চোতালত
সৰগ পৰা মানুহৰ দৰে
থৰ হ'লোঁ মই
গ্লানি আৰু ব্যৰ্থতাত
ভাগি পৰা হৃদয় লৈ

বাটেদি যোৱা পথৰুৱাই
বিবিয়াত নিয়া ধানৰ ডাঙৰিৰ
জৰপ্ জৰপ্ শব্দই
ওভোতাই আনিলে মোৰ হেৰুৱা পৌৰুষ

আৰম্ভ কৰিলোঁ কুৰঁলীৰ কবৰ খান্দিবলৈ
কুৰঁলীৰ কবৰ খন্দা অভিযান
শেষ হওঁতে নৌ হওঁতেই
বেলি ওলাল

ডেৰকুৰিখন মুখ
ডেৰকুৰি সোণালী স্মৃতি হৈ
গুণগুণাব ধৰিলে
মোৰ হৃদয়ত।



## দুখৰ পাহাৰ গলি গলি

মাজে মাজে মই
অবাক হৈ চাওঁ
সৌ সূৰুযটিলৈ
যাৰ আকাশী নয়নত
জলমলাই উঠে হেৰুৱা শৈশৱ
খিল্ খিল্ উন্মুক্ত হাঁহিত
জক্‌মকাই ফুলে জীৱন

দুখৰ পাহাৰ
গলি গলি নিঃশেষ হৈ যায়
টোপা-টোপে মৌ সৰা
আধা ফুটা মাতত

দুবাহুৰে ধৰিব নোৱাৰা
সৌ সূৰুযটি
মোৰ তেজতে ওপজা

Central Library
Assam Women's University
Accession No.: 691
Date 18/02/22

## তেজাল হাঁহি

কাৰোবাৰ তেজাল হাঁহিত
আন্ধাৰ জাৱনিখন জোন হৈ জ্বলিছে

ফুল হৈ ফুলিছে
সোণাফুলি গাঁৱৰ নীৰৱ চকুলো
পিৰ্‌পিৰাই উঠিছে
সময়ে শীতল কৰা
আইতাৰ নিৰুত্তাপ তেজৰ শিৰা

চেকুৰী যোৱা ঘোঁৰাবোৰৰ চকুত
থৰ হৈ আছে বেলিটো
'ইফালে ঢোলৰ মাত
সিফালে পেঁপাৰ মাত
মাজতে নাচনীৰ নাচ'

ঢোলৰ মাতত
পেঁপাৰ মাতত
নাচনীৰ নাচৰ ছেৱত
উভলি পৰিছে বৰ বৰ আহঁত
পখিলা হৈ উৰিছে
আঁহতৰ বুকুত গোট মাৰি থকা
আদিম দুখৰ শিলা



## বহাগ

সেউজীয়া ওৰণি-তলত
কাৰ ৰূপৰ অগনি জ্বলে

দৃষ্টিত কাৰ অশোক-বনত
তেজৰ কবিতা ফুলে

কাৰ দুখনি লুণীয়া ওঁঠত
প্ৰতিশ্ৰুতিৰ ধাৰ
চন পৰি থকা হিয়াত জাগে
হেন্দোলনি কিহবাৰ

তেওঁ বাৰু ইমান দিনে
ক'ত আছিল ?

আছিলনে শুই হৃদয়তে তেওঁৰ
সখীয়তি কুলী কেতেকীৰ সুৰ ?

## এখন ছবি আহিনৰ

এজনী গাভৰু
সেউজীয়া একোছা চুলি মেলি
বৈ আছে আহিনৰ পথাৰখনিত
হুচকুত তাইৰ জিল্‌মিল্‌
কেঁচা সোণৰ সপোন

ইকি ! পাতল কুঁৱলীৰ ওৰণিৰে
তাই দেখোন মুখখন ঢাকি ধৰিছে !
লাজ লাগিছে ? কিহৰ লাজ ?
তাই হেনো মাতৃ হ'বলৈ ওলাইছে ।



## শীত

শীতকালৰ কোনোবা এটি দোকমোকালি
মই তেতিয়া অকলে অকলে মোৰ
বন্ধ কোঠাৰ কঠিন শেতেলিত
টিনৰ চালত টপ্‌ টপ্‌ শব্দ শুনি
বুকুৰ ভিতৰখন কঁপি উঠিল :
কাৰ সেয়া মৃত্যু-শীতল বেদনাশ্ৰু ?
হঠাতে মোৰ ঘৰৰ মূধচত
চোঁচৰা খাই উৰা মাৰি গ'ল
শুকুলা এটি ৰাজহংস
তাৰ দুটি-এটি পাখি
সৰি ৰ'ল মোৰ ধূলিয়ৰি চোতালত
কোঠাটো কাহিলি কাহিলি পোহৰ হ'ল
খিৰিকিখন খুলি দিলোঁ।
দেখিলোঁ, বৰফৰ দৰে বগা শীতল
এজাক কুঁৱলী কোঠাটোৰ ভিতৰলৈ
লৰি আহিছে
খিৰিকিখন আকৌ জপাই দিব
খুজিছিলোঁ, তাৰ আগতেই
মোৰ দুয়োখন হাত জঠৰ হৈ গ'ল
হাড়-কঁপোৱা শীতৰ শিল-পৰশত

## অপূৰ্ণ

স্বপ্নৰ কোলাত
শুই থাকোঁতেই বহু যুগ গ'ল
আৰু মাত্ৰ তিনিটা প্ৰহৰ বাকী

আই, মই তোমাক
একোৱেই দিব নোৱাৰিলোঁ।
জন্মৰ ঋণকে শুজিব নোৱৰা
মোৰ দুৰ্বল আত্মাক
তোমাৰ বুকুৰ সেউজীয়া গোন্ধে
আৰু বেছি ঋণী কৰিলে
মই কি কৰোঁ !
মই !!



## তেওঁ আকৌ উভতি আহিব

[অনিল বৰাৰ মৃত্যুত]

সেই যি ৰাতিপুৱাই আহিল
তেওঁ আৰু উভতি যোৱা নাই ।

কালি অকস্মাৎ শুনিলোঁ।
তেওঁ হেনো গ'লগৈ ।

বুকুখন উদং উদং লাগিল ।
ভাবিলোঁ,
তেওঁ বাৰু এতিয়াই কিয় গ'লগৈ ?
ফুলো নুফুলোকৈ ফুলিব ধৰা
তেওঁৰ হৃদয়ৰ সূৰ্যমুখী ফুলে
পাহি মেলিবলৈকে নাপালে ।
... ... ... ...
কি হ'ল ? তোমালোকে কান্দিছা দেখোন !
তেওঁক বিচাৰিছা ?

বহু দিনৰ মূৰত
মাকৰ কোলা পাই
তেওঁ এতিয়া ঘুমতি গৈছে ।

তোমালোক মনে মনে থাকা ।
সময়ত
তেওঁ আকৌ উভতি আহিব
এটি জ্বলন্ত সূৰ্য হৈ
অসমীৰ আকাশ ৰঙাবলৈ ।

# সিহঁত জ্বলিয়ে থাকিব

আন্ধাৰত জ্বলি আছে
সিঁহতৰ নিষ্পেষিত আত্মাবোৰ
যেন
আবেলি-আকাশৰ কপাহৰ জোন৷
যেন জোন

সিহঁত জ্বলি আছে
কাৰো হৃদয়ৰ তাঁৰ কঁপা নাই
সিহঁতৰ নিষ্প্ৰাণ চাৱনিত ।

তথাপি সিহঁত জ্বলি থাকে

অনাগত দিনৰ নতুন সুৰুজে
হয়তো এদিন সিহঁতৰ হিয়া চুই যাব

সিহঁত জ্বলি থাকিব
জ্বলি থাকিব সিহঁত
সেইটো মাহেন্দ্ৰ ক্ষণলৈ

অনাগত দিনৰ নতুন সুৰুজে
হয়তো এদিন সিহঁতৰ হিয়া চুই যাব

সিহঁত জ্বলিয়ে থাকিব
অত্যুগ্ৰ এক দীপ্ত আকাঙ্খাৰে
সেইটো মাহেন্দ্ৰ ক্ষণলৈ



# অভিমানী কবি

পদুলিৰ বকুলজোপাত
জক্‌মকাই আছেহি
সূৰ্যটো
হেৰা, অভিমানী কবি
খুলি দিয়া
তোমাৰ বন্ধ কোঠাৰ খিৰিকি
পৃথিৱী ঢৌত হওক
শতিকা জুৰি গোট মাৰি থকা
বৰফৰ পাহাৰ গলি

## নতুন সূৰ্য

মাজ নিশা।
গভীৰ নিদ্ৰাত সমগ্ৰ পৃথিৱী এতিয়া ।
নিলগৰ, বহু নিলগৰ পৰা
কেতেকী-কণ্ঠৰ দৰে
ভাগি ভাগি উটি অহা
অলেখ নিপীড়িত আত্মাৰ হাহাকাৰত
সাৰ পাই উঠিল মোৰ নিঃসঙ্গ হিয়া ।

ক্ৰমে ওচৰ চাপি অহা
সেই নিপীড়িত আত্মাৰ হাহাকাৰত
উতলি উঠিল মোৰ শৰীৰৰ
প্ৰতিটো তেজৰ কণা
আৰু সেই উতলা তেজত
জন্ম হ'ল এক নতুন সূৰ্যৰ—
যাৰ পোহৰত
ঢৌত হ'ল মোৰ দেহৰ
বাহিৰ ভিতৰ ।



## ৰঙা পতাকাখন
( জ্যোতিপ্ৰসাদ আগৰৱালৰ সোঁৱৰণত )

তোমাৰ হাতৰ তেজ-ৰঙা
পতাকাখন ক'ত থৈ গ'লা ?

আমাৰ দেহৰ
প্ৰতিডাল শিৰা-উপশিৰাত
বিচাৰি চালোঁ ।
ক'তা ? নাপালো দেখোন !

থ'লা ক'ত
তোমাৰ হৃদয়ৰ তেজেৰে বোলোৱা
ৰঙা পতাকাখন ?

চাৰিওফালে অপ্ৰাপ্তিৰ হাহাকাৰ

অথচ চেতনা আমাৰ
এতিয়াও কলা ঘুমটিত ।

আমাক ওলোটাই দিয়া
তেজ-ৰঙা তোমাৰ সাহসৰ পতাকাখন

দৃষ্টি আমাৰ ধৰাই লওঁ

## স্খলন

বহুত বগালোঁ
পাহাৰৰ পিছত পাহাৰ
পৰ্বতৰ পিছত পৰ্বত
... ... ...

স্পৰ্শ কৰিলোঁ স্বৰ্গ
আহ ! কি যে আনন্দ !
কঁপি কঁপি
তিৰ্‌ তিৰাই উঠে
মোৰ হাতৰ মুঠিত
এমুঠি নক্ষত্ৰ

অলপ উত্তাপ, অলপ পোহৰ
লাগে সিহঁতক

প্ৰতিশ্ৰুতি দিলোঁ !

কিন্তু কি অদৃষ্ট !

অসতৰ্ক দ্ৰুত ভুল পদক্ষেপত
বাগৰি পৰিলোঁ পাতালত
ছিৰাছিৰ হ'ল হৃদয়
ৰক্তাক্ত হ'ল
ছুচকুৰ লুণীয়া সাগৰ
মই এতিয়া কি দিম
সিহঁতক ?



## এখন সোণালী পৃথিৱীৰ অকাল মৃত্যু

তোমাৰ পুৰণি পৃথিৱীত তেতিয়া
শতেক শীতৰ কুঁৱলী
মনৰ সঞ্চিত বিষণ্ণতা
আঁতৰাওঁ বুলি
তুমি উধাও হ'লা এখন নতুন
সোণালী পৃথিৱীৰ পথ ধৰি
সেইখন মোৰেই সোণালী পৃথিৱী
—য'ত ডাৱৰ, কুঁৱলী একোৰেই
পদ-চিহ্ন নাই ।

ইকি বিধিৰ বিড়ম্বনা !
মোৰ সোণালী পৃথিৱীৰ বুকু
তোমাৰ ভৰিৰ খোজ পৰি
কঁপি উঠিল,—কঁপি উঠিল মোৰ
সুনীল আকাশৰ সোণালী সূৰ্য

সেয়া ! শুনিছা ? কোনোবা অহাৰ শব্দ
... ... ...

ধুমুহা, ঢেৰেকণি, বিজুলী
হায় নিয়তি !
তোমাৰ কাল-চকুৰ তমিস্ৰাত
অকালতে

কিয় পুতি থ'লা মোৰ সোণালী পৃথিৱী ?

## নিষ্কণ্টক

দগ্‌মগ্‌কৈ জ্বলিছে! দেখা নাই ?
মোৰ দেহৰ প্ৰতিডাল শিৰা-উপশিৰাৰ
ভিতৰলৈ চোৱা, দেখিবা,
প্ৰতিটো তেজৰ কণা
একো একোটা জ্বলন্ত অঙঠা ।
বিদ্ৰোহত, এক অবুজ আত্ম বিদ্ৰোহত
সিহঁত জঁকি উঠিছে ।

...          ...          ...

ভয় লাগিছে ? একো ভয় নাই ।
সিহঁতে তোমাক নোপোৰে ।
মাথো মম বাতিৰ দৰে
নিজে জ্বলি জ্বলি শেষ হৈ যাব ।
নিষ্কণ্টক তোমাৰ জীৱন-পথ



## শক্তি-পৰীক্ষা

তোমাৰ ছলাহী কথাৰে
মোক আৰু কিমান দিন
ফুচুলাই ৰাখিবা
মোৰ শাণিত দৃষ্টিৰ জালত
তুমি এইবাৰ ধৰা পৰি গ'লা

ৰ'বা, মুখৰপৰা ভবিলৈকে
ঢাকি ৰখা
তোমাৰ ৰঙীন কোটটো
সোলোকাই দিওঁ

যোৱা। এতিয়া সাৱধান হোৱা।
মোৰ হৃদয়ৰ সুপ্ত সিংহ আজি
জাগি উঠিছে।
সেয়া, শুনিছা ? কাণফলা সিংহৰ গৰ্জন

তুমি সাজু হোৱা
শক্তি-পৰীক্ষাৰ সময় সমাগত।

## বিষাদ বাঁহীৰ সুৰ

সোণোৱালী শইচ্ বুতলিবলৈ গৈ
আঘোনৰ পথাৰত
হেৰুৱালোঁ মোৰ হৃদয়

শূন্য হাত শূন্য প্ৰাণ
পূৰ্ণ কৰাৰ প্ৰতিশ্ৰুতিৰে
ওলাই আহিলোঁ মুকলি পৃথিৱীলৈ

ইমান আলোক ইয়াত!

ছাট্ মাৰি ধৰা চকু দুটি
আঁচলেৰে মচি ল'লো

ইকি! আন্ধাৰত মইচোন
একোকে মনিব পৰা নাই

অলপ আগতে দেখা
পোঁহৰৰ পৃথিৱীখন ক'লৈ গ'ল?

কাঞ্চন-লতাবোৰ ??

o o o o

শূন্য প্ৰাণত প্ৰতিধ্বনিত হ'ল
আন্ধাৰত বজোৱা
কাৰোবাৰ বিষাদ বাঁহীৰ সুৰ



## বীনাখন আপোনা-আপুনি বাজিবলৈ দিয়া

ৰ'বা।
তুমি হাত নিদিবা।
বীনাখন আপোনা-আপুনি বাজিবলৈ দিয়া।
মুঞ্জৰিত হ'বলৈ দিয়া
হৃদয়ৰ মাধৈ মালতী
দেও দি নাচিব দিয়া
পোহনীয়া এধানি শালিকী।

টুং ··· ··· টাং- ···

আচৰিত হৈছা?
তেওঁ এৰি থৈ যাওঁতেই
বীনাখন সুৰত বন্ধা আছিল

হৃদয়ে হৃদয়ে ফুল ফুলোৱা সুৰ
প্ৰাণে প্ৰাণে বন্তি জ্বলোৱা সুৰ

## ইবাৰো নাহিলা তুমি

ইবাৰো নাহিলা তুমি
দুহাতে আবিৰ লৈ
বাট চাপোঁ বেলি পৰালৈ

আঙুলি ফাকেৰে সৰি
ৰঙা হ'ল সেউজীয়া কোমল ছবৰি

ৰঙা হ'ল গোপনে উচুপি কন্দা
বাউলী হৃদয়

তুমি জানো বুজ পালা
কি দৰে পাথৰ হ'ল
অশোকৰ ৰঙা থোপাবোৰ



## অশ্রু

তোমাৰ উচুপনিত
মই সাৰ পালোঁ।

শেৱালি বুলি
তোমাৰ চকুলোবোৰ
বুতলিব খোজোঁতে
মই নিজেই
চকুলোৰ এক
মহাসাগৰ হ'লোঁ।

## নিদাঘ

বহাগৰ নিদাঘত
কাতৰ হৈ পৰিছে
মোৰ উশাহ

উস! মই যে নিৰুপায়
যন্ত্ৰণা মোৰ
প্ৰতিডাল শিৰায় শিৰায়।



## মৰা শিল

তোমালোকে মোক একো নুসুধিবা
মই একো ক'ব নোৱাৰিম

হিৰোচিমা-নাগাচাকিত কি হ'ল
নুসুধিবা একো

মই কলা, বোবা আৰু অন্ধ

নিঃশব্দে শুকাল মোৰ
উত্তাল কপিলি
শিলা হ'ল গোট মাৰি
পলসুৱা মাটি

নুসুধিবা একো

কালাগ্নিৰ দহনত
দেই পুৰি যোৱা
মই যে এটুকুৰা মৰা শিল !

## শীৰ্ণ নৈ

নৈ আছোঁ
শীতৰ শীৰ্ণ নৈখনত
দুভৰিৰ পতা তিয়াই

বুকুত
খাওঁ খাওঁ দুপৰীয়াটো

পিয়াহত
শুকাই যোৱা ওঁঠ তিয়াবলৈ
বাট চাই আছোঁ
আষাৰৰ আকাশলৈ



## প্ৰেম এনেকুৱাই

মাজে মাজে
পুৰণি জপাটো মেলি চাওঁ

তুমি দিয়া ফ্ৰিংখাপৰ বিহাখন
অ'ত ত'ত বিয়পিছে

টাপলি মৰাৰ কথা কৈছা ?

পাটৰ কাপোৰত
টাপলিয়ে জানো শোভা পায় ?

বুটাবোৰত বুলাই দিয়া
সোণৰ গুণাবোৰ হ'লে
এতিয়াও আটিল হৈয়ে আছে

'প্ৰেম এনেকুৱাই
হৃদয় ভাঙি হৃদয় জুৰায়'

## অৱস্থিতি

বন্ধু,

ৰ'দালিত
সুৰুঙাকে নাপালা
আনকি এপাহি কপৌ
দিবলৈকো

বিয়লিত
কেনেকৈ যে সোমালা
মোৰ আন্ধাৰ কুঠৰীত!

উৱলি যোৱা মোৰ কোঠাৰ
জীৰ্ণ আসনত
তোমাৰ অৱস্থিতি



## এনেকৈয়ে জীয়াই আছোঁ

এনেকৈয়ে
এনেকৈয়ে জীয়াই আছোঁ
প্ৰতি মুহূৰ্ত্তত মৃত্যু উভতি যায়
বুকুত বৰফৰ হাত থৈ
নীলা পদুমৰ সুগন্ধি পুখুৰীত
সাতুৰি-নাদুৰি ফুৰোঁ
ৰাজহংস হৈ

কেৰেচীয়াকৈ পৰা
দুই-এচেৰেঙা ৰ'দত
হৃদয় টঙাই লওঁ

মৃত্যুৰে হতাহতি
ভাগৰত জাপ খায়
দুচকুৰ পতা

বুকুত কজলা পাহাৰ লৈ
এনেকৈয়ে
এনেকৈয়ে জীয়াই আছোঁ

## প্ৰত্যাশা

সকলো নিঃশেষ হ'ল
জোনৰ পোহৰ
ফুলৰ সুবাস
কুলিৰ কূজন

ভগা কলহৰ টুকুৰা
আৰু
এডাৰৰ মাজত
কেৱল
মোৰ বুকুৰ অসহায়
টিপ্‌ টিপনি

ৰাতি পুৱাবনে
গজিবনে বাৰু
ছিগি পৰা মোৰ
দুখনি হাত ??



## নীলা পদুম

এনেকৈ নাচাবা
এতিয়া এনেকৈ চালেই
মোৰ দুচকুৰ সমুদ্ৰত
জোৱাৰ উঠে

কপালত
এনেকৈ আৰু
হাত নুবুলাবা
এতিয়া
হাত ধ'লেই তুমি
ফুলি উঠে মোৰ কপালত
নীলা পদুমৰ পাহি

মোক অকলে নিৰলে
উমলিবলৈ দিয়া
আন্ধাৰেৰে

আন্ধাৰ
মোৰ জীৱনৰ
'হাত ধৰা লিগিৰী'

## দাপোণ

মোৰ মুখৰ আগত
দাপোণখন
ৰেছি পৰ ধৰি নাথাকিবা

দাপোণৰ
চকুজুৰিৰ গভীৰতালৈ
যিমানেই সোমাই যাওঁ
সিমানেই ফৰিং ফুটা হয়
তিনিকুৰি ফাগুনে গৰকা
বিদীৰ্ণ এখন মুখ

দগ্‌মগাই জ্বলে
চূৰ্ণ-বিচূৰ্ণ
এখন হৃদয়ৰ
গোট মৰা তেজ

দাপোণখন
দাঙি নধৰিবা
মোৰ দুচকুৰ
সন্মুখত



## সময়

বন্ধু,
সময়ক ফাঁকি দিব নোৱাৰি

গোলাপৰ পাহিও সৰে
পলাশবনতো সন্ধিয়া নামে

তোমাৰ বুকুৰ ৰঙা জবাপাহ
তোমাৰ বুকুতে লুকাই থোৱা

খেৰ-বাঁহৰ জুপুৰী
ছাই হ'বলৈ কিমান পৰ ?

# জীৱন এনেকুৱাই

আগতে
দোপালপিতা বৰষুণ দিলেই
মনত পৰে
আঁউসীৰ আন্ধাৰ শুহি নিয়া
কাতৰ তোমাৰ দুচকুৰ সোণালী ব'দলৈ

মনত পৰে
বালিচৰত চম্পা ফুলোৱা
উৰ্বৰা তোমাৰ হাঁহিলৈ

আজিচোন
সকলো ফাঁকি ফাঁকি লাগে !
তাজমহলৰ
বগা মাৰ্বলৰ চিক্‌মিকনিও

জীৱন এনেকুৱাই
এই হুঁহুৱায়, এই কন্দুৱায় ।



# আশ্ৰয়

সকলো অথলে গ'ল
অন্তহীন অগাধ বিশ্বাস

ঢাক খালে কুঁৱলীত
কামাখ্যাৰ সোণৰ কলচী
হাউলিল লাই খুটা
কীৰ্ত্তন ঘৰৰ

বাঁহৰ লেহুকা ঘৰ
থৰক-বৰক হ'ল
বতাহত উৰি গ'ল
ঘৰৰ মূধচ

মই এতিয়া
ক'ত মূৰ থওঁ ?

তেজে ধোৱা
দুখিলা কোমল কুঁহিপাতত ??

## প্ৰতীক্ষা

মোক অলপ শান্তিত মৰিবলৈ দিয়া।

উহ! ইমানবোৰ বেদনা মোক কিয় দিছা?
হৃদয় যে মোৰ এতিয়া তেনেই ভাগৰুৱা!

ৰ'বা, উশাহটো মোক এবাৰ ভালকৈ ল'বলৈ দিয়া
সোৱা, ক'লা ঘোঁৰা লৈ
তেওঁ ৰৈ আছেহি পদুলিৰ বকুলজোপাৰ তলত।

মোক আৰু দুদণ্ড সময় দিয়া।

উহ! তেওঁচোন এতিয়াও নাহিল!

পদুলিত নঙলা মেলাৰ শব্দ।
তেওঁ আহিছেনেকি?

নহয়, ধুমুহাহে।
তুমি শুই থাকা মনে মনে।